# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 15-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ দেৰগাঁৱত নতুন ৰূপত সজাই তোলা অত্যাধুনিক লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰে আৰু একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে অসম দ্ৰুত গতিত বিকাশৰ দিশে অগ্ৰসৰ হৈছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজ্যখনলৈ শান্তি ঘূৰি আহিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰচেষ্টাৰ বাবে ৰাজ্যখনৰ প্ৰায় আটাইবোৰ উগ্ৰপন্থী গোট শান্তি আলোচনাৰ বাবে আগবাঢ়ি আহিছে আৰু কেইবাটাও গোটে অস্ত্ৰ সম্বৰণো কৰিছে। ৰাজ্যখনত শান্তি বিৰাজ কৰিছে আৰু ইয়াৰ ফলস্বৰূপে ব্যৱসায় খণ্ডৰ উন্নয়ন ঘটিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ব্যৱসায়ী খণ্ডৰ উন্নয়নৰ ফলত যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে। তেওঁ লগতে কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ বিভিন্ন প্ৰকল্পৰ বাবে তিনি লাখ কোটি টকা যোগান ধৰিব আৰু ইয়াৰ ফলত আন্তঃগাঁথনি খণ্ড শক্তিশালী হৈ উঠিব। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে আজিৰ দিনটো ৰাজ্যখনৰ আৰক্ষীৰ বাবে এটা সোণালী দিন আৰু বীৰ লাচিত বৰফুকনলৈ এয়া প্ৰকৃত শ্ৰদ্ধাঞ্জলি। ৰাজ্য চৰকাৰে ডেৰগাঁও পুলিচ একাডেমী চৌহদত আৰক্ষী চিকিৎসা মহাবিদ্যায় স্থাপনৰো পৰিকল্পনা কৰিছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ কয়, যে পূৰ্বৰ দশকসমূহৰ তুলনাত ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হৈছে আৰু অপৰাধৰ হাৰ ৫০ শতাংশৰো অধিক হ্ৰাস পাইছে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত অংশ লৈ কয়, যে এই অত্যাধুনিক আৰক্ষী একাডমীৰ জৰিয়তে দেশৰ শ্ৰেষ্ঠ আৰক্ষী কৰ্মী সাজু হৈ উঠিব আৰু এই আৰক্ষী কৰ্মীসকল নতুন যুগৰ অপৰাধ নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হ'ব। অনুষ্ঠানত বিদেশ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু আন ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ডেৰগাঁৰৰ অনুষ্ঠানৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে আইজললৈ যায়। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'য়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি নিশাটো আইজলৰ ৰাজভৱনত কটাব।  তেওঁ কাইলৈ কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ গুৱাহাটত উত্তৰ-পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত অঞ্চলটোৰ আঠোখন ৰাজ্যৰ মুখমন্ত্ৰীৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব। ০০০

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া নগাওঁৰ কৰৈয়নি কাকদঙা পথাৰত অনুষ্ঠিত হেজাৰী ভাওনা মহোৎসৱত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ড° শৰ্মাই ঐতিহ্যমণ্ডিত মন্দিৰটোৰ উন্নয়নৰ বাবে ১ কোটি টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। অনুষ্ঠানত নগাওঁৰ বিধায়ক ৰূপক শৰ্মা, ৰহাৰ বিধায়ক শশীকান্ত দাস আৰু চামগুৰিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা উপস্থিত থাকে। কাইলৈ নিশা সামৰণি পৰিবলগীয়া এই মহোৎসৱত এঘাৰখনকৈ অংকীয়া নাট প্ৰদৰ্শন কৰা হৈছে।

oooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে পৰিৱেশন কৰা **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই ভাওনাখনৰ পৰিকল্পনা ঋতুপৰ্ণ দাসৰ আৰু পৰিচালনা ড° দীপেন দাসৰ। গুৱাহাটীৰ বিভিন্ন বৈদ্যুতিন চেনেলৰ সাংবাদিকে অভিনয় কৰা এই ভাওনাখনিত ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছে মৃগাংক শইকীয়া, কৰ্ণ চৰিত্ৰত শোণিত কুমাৰ ভূঞা, শকুনি চৰিত্ৰত অভিজিৎ গোস্বামী আৰু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছে বিমল ভূষণ মহন্তই। গান্ধাৰীৰ চৰিত্ৰত অভিনয় কৰিছে এঞ্জেলা চাংমাই।

oooo

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিলৰ সামৰণি পৰে। মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনটোত আজি ভালেসংখ্যক প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ জিলাত থকা ১৬টা সমষ্টি আছে।

oooo

ৰাজ্যৰ বিভিন্ন স্থানত আজিও পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ফাকুৱা আৰু দৌল উৎসৱ উদ্‌যাপন কৰা হয়। দৌল মহোৎসৱ উপলক্ষে বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰত ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। বৰপেটা সত্ৰত শ্ৰীশ্ৰী কৃষ্ণৰ দৌল মহোৎসৱত অংশ লোৱাৰ লগতে গোসাঁইক সেৱা জনাই আশীৰ্বাদ ল'বলৈ বিভিন্ন প্ৰান্তৰ পৰা ভক্তসকলৰ আগমন ঘটিছে।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত পৰম্পৰা অনুসৰি ফল্গুৎসৱ উদযাপন কৰা হয়। কাইলৈ ফাকুৱা ফুৰোৱাৰ পাছত সন্ধিয়ালৈ এই উৎসৱৰ সামৰণি পৰিব।

কোচবিহাৰ মধুপুৰ সত্ৰত ৩ দিনীয়াকৈ আযোজন কৰা দৌল উৎসৱৰ আজি সামৰণি পৰে। দৌল উৎসৱৰ অন্তিম দিনা গোসাইক নামঘৰৰ পৰা উলিয়াই সত্ৰৰ চাৰিফালে প্ৰদক্ষিণ কৰাৰ লগতে ধৰ্মীয় শোভাযাত্ৰা উলিওৱা হয়। উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ পালন কৰা হয়।

oooo

ঃঃ সমাপ্ত ঃঃ